# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-12-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

নতুন বিধানসভা সমষ্টিৰ ভিত্তিত নতুন ৰেচন কাৰ্ড বিতৰণৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী আজি আনুষ্ঠানিকভাৱে আৰম্ভ হৈছে। এই উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লখিমপুৰ বিধান সভা সমষ্টিৰ চকুলিভৰীয়াত ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। আনহাতে ধেমাজিত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ডিব্ৰুগড়ত মন্ত্ৰী প্ৰশান্ত ফুকন, টিহুত চন্দ্ৰমোহন পাটোৱাৰী, কাছাৰৰ কাটিগড়াত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। বজালী জিলাৰ সৰুপেটা আৰু তামুলপুৰতো মুখ্যমন্ত্ৰী ড০ শৰ্মাই ভাৰ্চুৱেলী ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচী আৰম্ভ কৰে। বিজনীতো বিধায়ক অজয় কুমাৰ ৰায়ৰ উপস্থিতিত নতুন ৰেচন কাৰ্ড বিতৰণৰ শুভাৰম্ভ কৰা হয়। উল্লেখযোগ্য যে নতুন ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ত ৰাজ্যৰ ১৬ জিলাৰ মুঠ ৫ লাখ ১৯ হাজাৰ ৩৬৫ গৰাকী হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব। এই নতুন হিতাধিকাৰীসকলে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ অধীনত অহা বছৰৰ জানুৱাৰীৰ পৰাই বিনামূলীয়া চাউল লাভ কৰিব।

০০০০০

ৰাজ্য চৰকাৰৰ **বিকাশৰ ১২ দিন** কাৰ্যসূচীৰ অংশ হিচাপে আজি লখিমৰপুৰ আৰু ওদালগুৰি জিলাত ছাত্ৰ-ছাত্ৰী আৰু হিতাধিকাৰীৰ মাজত বিভিন্ন আঁচনিৰ অধীনত বঁটা প্ৰদান কৰাৰ লগতে আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই কাৰ্যসূচীৰ সমান্তৰালকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত লখিমপুৰ জিলাত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰা হয়। চকুলিভৰীয়াৰ লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ খেলপথাৰৰ সমীপত আয়োজিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ভাৰ্চুৱেল ব্যৱস্থাৰে ২৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ফটাসুঁতিঘাটৰ ৰঙানদীৰ পকী দলং উদ্বোধন কৰে। একেদৰে আজাদত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ হোৱা চৰকাৰী আইন মহাবিদ্যালয়ৰ ভৱনটোও মুখ্যমন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰে। ইয়াৰ লগতে তেওঁ ১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লখিমপুৰৰ চৰকাৰী নাৰ্ছিং মহাবিদ্যালয়ৰ শৈক্ষিক ভৱন আৰু হোষ্টেলৰ আধাৰশিলা স্থাপন কৰাৰ লগতে বগীনদীত প্ৰেক্ষাগৃহসহ এটা অতিথিশালাৰ ভূমি পূজনত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে বানত ক্ষতিগ্ৰস্ত ২২ হাজাৰ ৬৩৬টা পৰিয়াললৈ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ৩৫৪ গৰাকী সদস্যকো আজিৰ অনুষ্ঠানত এক কোটি টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হয়।

ইফালে ওদালগুৰি জিলাত জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকা উপস্থিত থাকে। এই সভাত ৯৪৩ গৰাকী শিক্ষাৰ্থীক ড০ বাণীকান্ত কাকতি

মেধা বঁটা, ৪০৪ গৰাকী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা আৰু ৬ হাজাৰ ৫৫৫ গৰাকী শিক্ষাৰ্থীক বিনামূলীয়া চাইকেল প্ৰদান কৰা হয়।

**বাইট (পীযূষ হাজৰিকা)**

০০০০০

ৰাজ্য চৰকাৰে বাল্য বিবাহৰ বিৰুদ্ধে তৃতীয় পৰ্যায়ৰ অভিযান আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত যোৱা নিশা এই অভিযান আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। ইয়াৰ অংশ হিচাপে দৰং জিলাত কালি নিশাৰে পৰা আজি পুৱা পৰ্যন্ত চলোৱা অভিযানত জিলাখনৰ মুঠ বিভিন্ন থানাত পঞ্জীয়নভুক্ত ১২টা গোচৰৰ তদন্ত চলাই ২২গৰাকী অভিযুক্তক এই পৰ্যন্ত গ্ৰেপ্তাৰ কৰে। ইয়াৰে সৰ্বাধিক চাৰিটা গোচৰ দলগাঁও থানাত, তিনিটা ধুলা থানাত, দুটাকৈ গোচৰ চিপাঝাৰ আৰু খাৰুপেটীয়াত আৰু বাকী এটা গোচৰ মণ্ডলদৈ থানাত পঞ্জীভুক্ত হৈ আছে। জিলাখনৰ অপৰাধ শাখাৰ দায়িত্বত থকা অতিৰিক্ত আৰক্ষী অধীক্ষক ৰজী তালুকদাৰে আমাৰ সংবাদদাতাক ধৃত আটাইকেইজন অভিযুক্তকে আদালতৰ জৰিয়তে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হ'ব বুলি জনাইছে।

বৰপেটা জিলাতো যোৱা নিশাৰে পৰা আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। এই অভিযানত জিলাখনৰ ১০খন আৰক্ষী থানাৰ অধীনৰ বিভিন্ন অঞ্চলৰ পৰা অৰ্দ্ধশতাধিক অভিযুক্ত আটক কৰা হৈছে। বৰপেটা সদৰ আৰক্ষী থানাই বাল্য বিবাহ কৰোৱা ১০জনক আটক কৰিছে বুলি ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই জনাইছে।

উল্লেখযোগ্য যে, বাল্য বিবাহৰ দৰে সামাজিক ব্যাধিক দূৰ কৰাৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত